No. of Printed Pages—7

125N/128N (ASPP/RAR)

[20-HKPGDEN-M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–02(Lit)]

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ পোনপটীয়া উত্তৰ দিয়ক : 1×8=8

(i) চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰা দুটা ব্যঙ্গ কবিতাৰ নাম লিখক।

(ii) বেজবৰুৱাৰ 'চালনী আৰু বেজী' কবিতাটোৰ লগত কোনগৰাকী ইংৰাজ কবিৰ কবিতাৰ ভাব-ভাষাৰ মিল দেখা যায়?

(iii) যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত কোন কোন পাশ্চাত্য কবিৰ কবিতাৰ প্ৰভাৱ অনুভূত হয়?

(iv) প্ৰথম অসমীয়া মুক্তক ছন্দৰ কবিতাটোৰ শিৰোনাম কি আছিল? কবিতাটো কোনে লিখিছিল?

(v) পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাসত কোনগৰাকী পাশ্চাত্য ঔপন্যাসিকৰ প্ৰেৰণা অনুভূত হয়?

(vi) গল্পকাৰ কৃষ্ণ ভূঞাৰ 'যাদুঘৰ' গল্পৰ সৈতে কোনগৰাকী বিদেশী গল্পকাৰৰ কোনটো গল্পৰ মিল দেখা যায়?

(vii) ভবেন্দ্ৰনাথ শইকীয়াই বিদেশৰ পটভূমিত ৰচনা কৰা দুটা গল্পৰ নাম লিখক।

(viii) অসমীয়ালৈ অনূদিত হোৱা শ্বেইক্সপীয়েৰৰ প্ৰথমখন নাটকৰ নাম কি?

(b) খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) নগেন শইকীয়াৰ গল্পত _____ দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়।

(ii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকখনত বেলজিয়াম নাট্যকাৰ _____'মোনা-ভান্না'ৰ প্ৰভাৱ পৰিছে।

(iii) পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা 'গাঁওবুঢ়া' প্ৰকাশ পায় _____ চনত।

(iv) 'মৃণাল মাহী' সামাজিক _____ নাটক।

(c) শুদ্ধ উত্তৰটো বাছি উলিয়াওক : 1×4=4

(i) তলৰ কোনখন নাটক বিদেশী ভাষাৰ পৰা অসমীয়ালৈ অনূদিত নাটক নহয়?

1. বনহংসী
2. বিভূতি
3. চেৰী বাগিছা
4. প্ৰতিবাদ

(ii) বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকখনৰ গজপুৰীয়া, গজপুৰীয়ানী, টকৌ আদি চৰিত্ৰ শ্বেইক্সপীয়েৰৰ কোনখন নাটকৰ চৰিত্ৰৰ লগত মিল আছে?

1. চতুৰ্থ হেনৰী
2. মেকবেথ
3. ৰোমিঅ' এণ্ড জুলিয়েট
4. ওপৰৰ এটাও শুদ্ধ নহয়

(iii) সূৰ্যকুমাৰ ভূঞাৰ 'বিজুলী' গল্পটোত কাৰ গল্পৰ প্ৰভাৱ অনুভূত হয়?

1. মোপাঁছাৰ
2. এড্‌গাৰ এলেন পোৰ
3. চেখভ্‌ৰ
4. টলষ্টয়ৰ

(iv) নিম্ন উল্লিখিত ৰমা দাশৰ কোনটো গল্পত ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰভাৱ পৰিছে?

1. অবুজ মায়া
2. এটা গৰম কোট
3. বৰ্ষা যেতিয়া নামে
4. অচল টকা

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) হেমচন্দ্ৰ গোস্বামীৰ কবিতাত পাশ্চাত্য প্ৰভাৱ অনুভূত হয়নে? চমুকৈ লিখক।

(b) কবি অজিৎ বৰুৱাৰ কবিতাৰ বিষয়ে এটি টোকা লিখক।

(c) ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে লিখক।

(d) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত ফ্ৰয়েডীয় চেতনা কেনেদৰে প্ৰকাশ পাইছে?

(e) অৰূপা পটংগীয়া কলিতাৰ গল্পত প্ৰতিবাদী নাৰী চৰিত্ৰৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে, লিখক।

(f) অসমীয়া ঐতিহাসিক (প্ৰাক্-স্বাধীনতা কালৰ) নাটকত পাশ্চাত্য প্ৰভাৱ অনুভূত হয়নে? লিখক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমি সম্পৰ্কে এটি আলচ যুগুত কৰক।

(b) নৱকান্ত বৰুৱাৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে লিখক।

(c) আধুনিক অসমীয়া চুটিগল্পত (১৮৮৯–১৯৪০ চনৰ অন্তৰ্গত) মোপাঁছাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

(d) আধুনিক অসমীয়া নাটকৰ সৃষ্টিৰ ক্ষেত্ৰত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা আগবঢ়াওক।

(e) শংকৰদেৱৰ অংকীয়া নাটৰ সৈতে ব্ৰেখটৰ এপিক নাটকৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ আলোচনা কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ অসমীয়ালৈ অনূদিত হোৱা বিদেশী কবিতা সম্পৰ্কে এটি নিবন্ধ লিখক।

(b) জোনাকী যুগৰ অসমীয়া উপন্যাস সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনে আছিল? উদাহৰণসহ আলোচনা কৰক।

(c) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত প্ৰতিফলিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখক।

(d) "প্ৰাৰম্ভিক অৱস্থাৰ অসমীয়া নাট্য সাহিত্যত শ্বেইক্সপীয়েৰৰ প্ৰভাৱ আছিল একক আৰু অনন্য।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

5. তলৰ যি কোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) নৱকান্ত বৰুৱা, অজিৎ বৰুৱা আৰু নীলমণি ফুকনৰ কবিতাৰ আধাৰত আধুনিক অসমীয়া কবিতাত পাশ্চাত্য ভাৱধাৰাৰ প্ৰভাৱ কেনেদৰে অনুভূত হয়, আলোচনা কৰক।

(b) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্ব (১৯৭০–২০০০)ৰ অসমীয়া উপন্যাসত কেনেদৰে নতুন চিন্তাধাৰাৰ আগমন ঘটিছে সেই বিষয়ে নিজা ভাষাত বহলাই লিখক।

(c) যুদ্ধোত্তৰ যুগৰ অসমীয়া গল্পকাৰসকলৰ গল্প ৰচনাৰ কলা-কৌশল পৰিৱৰ্তনত কোন-কোন কাৰকৰ অৱদান সৰ্বাত্মক—আলোচনা কৰক।

(d) ১৯৪০–২০০০ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে সেই বিষয়ে এটি প্ৰবন্ধ লিখক।